No. of Printed Pages—4

126/129 (BSN/UBA)

[19HKMDASO–M4S(O)19A]

MA 4th Semester (Old) Exam., 2019(S)

ASSAMESE

[MAS (S4) 15 (Lit)]

(তুলনামূলক ভাৰতীয় সাহিত্য)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত আত্মপ্ৰকাশ কৰা দুগৰাকী বাংলা মহিলা কবিৰ নাম লিখি তেওঁলোকৰ ৰচনাকৃতিৰ চমু পৰিচয় দিয়ক।

(b) ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম আৰু মৃত্যুৰ চন দুটা কি কি? তেওঁৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ কৃতিৰ চমু পৰিচয় দিয়ক।

(c) জীৱনানন্দ দাশৰ পিতৃ আৰু মাতৃৰ নাম কি আছিল? তেওঁৰ কৰ্মজীৱনৰ বিষয়ে চমুকৈ উল্লেখ কৰক।

(d) বাংলা সাহিত্যৰ 'কল্লোল' যুগৰ দুগৰাকী প্ৰসিদ্ধ গল্পকাৰৰ নাম লিখক আৰু তেওঁলোকৰ কৃতিসমূহৰ চমু পৰিচয় দিয়ক।

(e) বাংলা উপন্যাসৰ আদি পৰ্বৰ দুগৰাকী প্ৰসিদ্ধ ঔপন্যাসিকৰ নাম লিখক। তেওঁলোকৰ ৰচনাৰ বিশিষ্ট দিশ কি?

(f) সমালোচকসকলে মানিক বন্দ্যোপাধ্যায়ৰ সাহিত্য জীৱনক কেনেদৰে দুটি ভাগত ভাগ কৰিছে, চমুকৈ লিখক।

2. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) বাংলা গীতিকবিতাৰ ইতিহাস সম্পৰ্কে চমুকৈ লিখক।

(b) ৰবীন্দ্ৰনাথৰ কাব্যোপন্যাস কেইখন আৰু কি কি? এইবোৰৰ সাৰ্থকতা সম্পৰ্কে লিখক।

(c) কবি জীৱনানন্দৰ জীৱনদৰ্শন কেনেধৰণৰ আছিল?

(d) শৰৎচন্দ্ৰৰ মতে তেওঁৰ সাহিত্যৰচনাৰ পৰিধি কেনেধৰণৰ, লিখক।

3. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) ৰবীন্দ্ৰনাথৰ কাব্যৰ পৰ্বসমূহ কেনেদৰে সজোৱা হৈছে, আলোচনা কৰক।

(b) ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু জীৱনানন্দ দাশৰ কাব্যৰীতিৰ তুলনামূলক আলোচনা দাঙি ধৰক।

(c) 'অভাগীৰ স্বৰ্গ' গল্পটিৰ অন্তৰ্নিহিত তাৎপৰ্য কেনে পটভূমিত ব্যঞ্জিত হৈছে, আলোচনা কৰক।

(d) মানিক বন্দ্যোপাধ্যায়ৰ সাহিত্যিক জীৱনৰ পটভূমি বিশ্লেষণ কৰক।

4. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) ৰবীন্দ্ৰনাথৰ কাব্যৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰি পাঠ্য অন্তৰ্ভুক্ত কবিতাটোৰ পটভূমি বিশ্লেষণ কৰক।

(b) পাঠ্য নিৰ্বাচিত কবিতাটোৰ জৰিয়তে জীৱনানন্দ দাশৰ কাব্যৰীতিৰ বৈশিষ্ট্যসমূহ দাঙি ধৰক।

(c) বাংলা চুটিগল্পৰ ইতিহাস আলোচনা কৰক।

(d) বাংলা উপন্যাস সাহিত্যত মানিক বন্দ্যোপাধ্যায়ৰ স্থান সম্পৰ্কে এটি প্ৰবন্ধ লিখক।

(e) 'পুতুল নাচেৰ ইতিকথা' উপন্যাসৰ নাৰী চৰিত্ৰসমূহৰ এটি বিশ্লেষণাত্মক টোকা লিখক।